জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩ /২০২১

# গভীৰ নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ ক'ভিড ৰোগীৰ চিকিৎসাৰ বুজ ললৈ মুখ্যমন্ত্ৰীয়ে

## সকলো চিকিৎসা মহাবিদ্যালয়ত নিশা থাকিব লাগিব জ্যেষ্ঠ চিকিৎসক ঃ মুখ্যমন্ত্ৰী

## ক'ভিড ৱাৰ্ডসমূহত সংলগ্ন হ'ব চিচি টিভি কেমেৰা ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নিশা ২-৩০ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ জৰুৰীকালীন ৱাৰ্ডত ক'ভিড ৰোগীক প্ৰদান কৰা চিকিৎসা সেৱাৰ বুজ লয়। ক'ভিড ৰোগীয়ে যাতে ২৪ ঘন্টাই উপযুক্ত চিকিৎসা লাভ কৰিব পাৰে তথা নিশা অহা সংকটজনক ৰোগীয়ে যাতে তৎকালীন চিকিৎসা লাভ কৰিব পাৰে, সেই ব্যৱস্থাপনা প্ৰত্যক্ষ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হয়। মুখ্যমন্ত্ৰীযে লগতে চিকিৎসা মহাবিদ্যালয়খনত থকা অক্সিজেন প্লাণ্ট পৰিদৰ্শন কৰে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী, চিকিৎসা মহাবিদ্যালয়, অসম চিকিৎসা মহাবিদ্যালয়কে ধৰি ৰাজ্যৰ আটাইকেইখন চিকিৎসা মহাবিদ্যালয়সমূহত গভীৰ নিশাৰ ক'ভিড চিকিৎসাৰ ব্যৱস্থাপনা এটা গঢ়ি তোলা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে নিশা অহা ক'ভিড ৰোগীৰ মৃত্যুৰ হাৰ অধিক। নিশা অহা ৰোগীয়ে যাতে চিকিৎসালয় মহাবিদ্যালয় হাস্পতালসমূহত সঠিক চিকিৎসা লাভ কৰিব পাৰে,তাৰ বাবে জ্যেষ্ঠ চিকিৎসকসকলো নিশা উপস্থিত থাকিব লাগিব। এই ব্যৱস্থাৰ জৰিয়তে নিশা অহা ৰোগীয়েও দিনৰ সমানেই উপযুক্ত চিকিৎসা লাভ কৰিববৈলে সক্ষম হ'ব। যোৱা দুই-তিনিদিনৰ পৰা এই ব্যৱস্থা চলাই থকা হৈছে আৰু ইতিমধ্যে ইয়াৰ সুফল লাভ কৰা হৈছে। ৱাৰ্ডৰ ভিতৰত কেনেধৰণৰ চিকিৎসা হৈছে, চিকিৎসক আছে নে নাই , কিবা অসুবিধা আছে নেকি সেই বিষয় সমূহ প্ৰত্যক্ষ কৰাৰ বাবে চি চি টিভি সংলগ্ন কৰা হ'ব। ৰাতি ১১ বজাৰ পৰা ৰাতিপুৱা ৭ বজালৈ চিকিৎসা সেৱা অধিক উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনত পৰ্যাপ্ত অক্সিজেন মজুত আছে। গুৱাহাটীত মহানগৰীত পূৰ্বতকৈ সংক্ৰমণ কিছু স্তিমিত হৈছে। ক'ভিড ৰোগীৰ বিচনা বঢ়োৱাৰ কাম সৰুসজাইত চলি আছে। সৰুসজাইত ৩০০ বিচনাযুক্ত চিকিৎসালয় হ'ব বুলিও তেওঁ কয়। দুই বজাৰ পৰা সান্ধ্য আইন বলৱৎ কৰাৰ পিছত যথেষ্ট সুফল লাভ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**পুঃডেঃ / বঃভাঃ**
**১৬/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in